**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-07-2024 **Time :** 1715 Hrs.

***Assamese Evening Bulletin***

মৰিগাঁও জিলাৰ জাগীৰোডত স্থাপন হ'বলগীয়া টাটাৰ ছেমি কণ্ডাক্টৰ প্ৰকল্পৰ বাবে অসম চৰকাৰে আবণ্টন দিয়া ৫১৭ বিঘাৰো অধিক ভূমিৰ আজি চৰকাৰী নিয়ম অনুসৰি মৰিগাঁও উপ-পঞ্জীয়কৰ কাৰ্যালয়ত পঞ্জীয়ন প্ৰক্ৰিয়া সম্পন্ন হয়। টাটা ইলেক্ট্ৰনিক্‌ছ কৰ্তৃপক্ষৰ এটা উচ্চস্তৰীয় দল মুম্বাইৰ পৰা আহি মৰিগাঁও জিলা আয়ুক্তৰ কাৰ্যালয়ত আলোচনাত মিলিত হোৱাৰ পাছতে ভূমি পঞ্জীয়ন প্ৰক্ৰিয়া সম্পন্ন কৰে। দলটোৱে জিলা আয়ুক্ত দেৱাশীষ শৰ্মাসহ উপ-পঞ্জীয়কৰ কাৰ্যালয়ত উপস্থিত হয়।

০০০০০০০

সাধাৰণ জনজাতীয় ৰাইজৰ সহায় হোৱাকৈ গুৱাহাটীৰ পল্টন বজাৰত নবীকৃত জনজাতীয় জিৰণিগৃহ এটা আজি মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে উদ্বোধন কৰে। শিক্ষা, চিকিৎসা, বাণিজ্যিক আদি কাৰণত গুৱাহাটীলৈ অহা জনজাতীয় লোকসকল এই গৃহৰ জৰিয়তে উপকৃত হ'ব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। জিৰণি গৃহটো ভৈয়াম জনজাতি পৰিক্ৰমা বিভাগৰ অনুমোদিত পুঁজিৰে নবীকৰণ কৰা হৈছে।

০০০০

পৰিবহণ মন্ত্ৰী কেশৱ মহন্তই আজি ৰাজ্যত যান-বাহনৰ কৰ আৰোপন ব্যৱস্থাৰ সৰলীকৰণ আৰু অসম ৰাজ্যিক পৰিবহণ নিগমৰ স্থাৱৰ সম্পদৰাজিৰ সুপৰিচালনা সন্দৰ্ভত পৰিবহণ বিভাগৰ শীৰ্ষ বিষয়াসকলৰ সৈতে আলোচনাত মিলিত হয়। দিছপুৰ অনুষ্ঠিত এই বৈঠকত অসম ৰাজ্যিক পৰিবহণ নিগমৰ অধ্যক্ষ মিছন ৰঞ্জন দাস, উপাধক্ষ্য প্ৰণৱজ্যোতি লহকৰৰ লগতে পৰিবহণ আয়ুক্ত মেঘনিধি দাহাল আৰু অসম ৰাজ্যিক পৰিবহণ নিগমৰ পৰিচালন সঞ্চালক চিন্ময় ফুকন উপস্থিত থাকে।

০০০০০০

আজি বিশ্ব সৰ্প দিৱস। সাপৰ বিভিন্ন প্ৰজাতি সংৰক্ষণৰ দ্বাৰা জৈৱ বৈচিত্ৰ সংৰক্ষণৰ প্ৰতি সজাগতা সৃষ্টিৰ লক্ষ্যৰে এই দিৱস পালন কৰা হয়। এই উপলক্ষে দিয়া এটা বাৰ্তাত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয় যে বিভিন্ন প্ৰজাতিৰ সাপে ৰাজ্যৰ জৈৱ বৈচিত্ৰ চহকী কৰি আহিছে আৰু পৰিৱেশৰ ভাৰসাম্য ৰক্ষাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। ৰাজ্য চৰকাৰ আৰু প্ৰকৃতি সংৰক্ষণ কৰ্মীসকলে এনে বিচিত্ৰ প্ৰজাতিৰ সাপৰ বিচৰণস্থলীসমূহ চিনাক্ত কৰি সেইসমূহ সুৰক্ষিত কৰাৰ বাবে প্ৰচেষ্টা অব্যাহত ৰাখিছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। সাপৰ প্ৰতি থকা মানুহৰ অহেতুক ভীতিৰ পৰিপ্ৰেক্ষিতত সাধাৰণতে মানুহৰ সৈতে ইয়াৰ সংঘাত পৰিলক্ষিত হয়। এই সংঘাতৰ ফলতে সৰ্প দংশনৰ ফলত বহু লোকে প্ৰাণ হেৰুৱাবলগীয়া হয়। সৰ্প দংশনৰ ফলত হোৱা প্ৰাণহানি ৰোধ কৰাৰ লগতে বিষয়টো সম্পৰ্কত সজাগতা সৃষ্টিৰ বাবেও আজিৰ দিৱসৰ সৈতে সংগতি ৰাখি কাৰ্যসূচী লোৱা হৈছে। উল্লেখযোগ্য যে বিশ্বত ৩হাজাৰ ৫০০ৰো অধিক প্ৰজাতিৰ সাপ থকাৰ তথ্য পোৱা যায়। ইয়াৰ ভিতৰত ৬০০ বিধ বিষাক্ত বুলি জানিব পৰা যায়। ইপিনে, বিশ্ব সৰ্প দিৱসৰ সৈতে সংগতি ৰাখি আজি ৰাজ্যৰ কোনো কোনো স্থানত সজাগতা কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। মৰিগাঁৱত প্ৰকৃতিপ্ৰেমী মঞ্চ, অসম নামৰ স্বেচ্ছাসেৱী সংস্থাই দিনজোৰা কাৰ্যসূচীৰে এই দিৱস পালন কৰে। সৰ্প সংৰক্ষণ আৰু সৰ্প দংশনৰ সজাগতা সৃষ্টিৰ হেতু আজি বঘৰাৰ এজাবাৰী, ডমাল আদি অঞ্চলত সমদল উলিওৱা হয়। ইয়াৰ পাছতে জিলাখনৰ পশ্চিম সিধাবাৰী মধ্য ইংৰাজী বিদ্যালয়ত এখন সজাগতা সভা অনুষ্ঠিত হয়। এই অনুষ্ঠানত বিভিন্ন প্ৰজাতিৰ সৰ্পৰ শিক্ষাৰ্থীসকলক আলোকচিত্ৰ প্ৰদৰ্শন কৰাৰ উপৰি বিষাক্ত সাপ চিনাক্ত কৰাৰ কৌশল সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকলক শিকোওৱা হয়।

০০০০০০০

গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী অশোক সিংহলে আজি জনতা ভৱনত বিভাগটোৰ বিভিন্ন শাখাৰ শীৰ্ষ বিষয়াসকলৰ সৈতে কেইবাখনো গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হৈ ৰূপায়িত বিভিন্ন প্ৰকল্পৰ কাম-কাজৰ পৰ্যালোচনা কৰে। মন্ত্ৰী শ্ৰী সিংহলে পৌৰ প্ৰশাসনৰ সংস্কাৰ, উদ্যান আৰু বজাৰ গৃহ নিৰ্মাণ, স্বচ্ছ ভাৰত অভিযান আদি বিভিন্ন বিষয়ত কেইবাখনো গুৰুত্বপূৰ্ণ আলোচনাত অংশগ্ৰহণ কৰে। গুৱাহাটী পৌৰ নিগমৰ শীৰ্ষ বিষয়াসকলৰ সৈতে তেওঁ পৌৰ প্ৰশাসনৰ সংস্কাৰ সন্দৰ্ভত গঠিক এজনীয়া সমিতিৰ প্ৰতিবেদন আৰু পৌৰ সংশোধনী আইন ২০২৪ৰ খচৰা নিয়মাৱলী প্ৰস্তুতিৰ বিষয়ে আলোচনা কৰে। বৈঠকত জালুকবাৰীৰ পৰা খানাপাৰালৈ ৰাষ্ট্ৰীয় ঘাইপথৰ দুয়োকাষে ষ্ট্ৰিট লাইট স্থাপন আৰু নগৰীয়া আন্তঃগাঁথনি উন্নয়ন পুঁজিৰ অধীনত অনুমোদিত উদ্যান সন্দৰ্ভত জি ইউ চি এল আৰু গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ কাৰিকৰী শাখাত আলোচনা কৰা হয়। আনহাতে, নগৰ আৰু গাঁও পৰিকল্পনা সঞ্চালকালয়ৰ সৈতে হোৱা বৈঠকত মহানগৰীৰ অকৰ্তৃত্বশীল নিৰ্মাণ কাৰ্যসমূহৰ এককালীন নিয়মীয়াকৰণৰ শেহতীয়া স্থিতিৰ পৰ্যালোচনা কৰা হয়। **স্বচ্ছ মিছন** (নগৰীয়া)ৰ অধীনত ৰূপায়িত গোটা আৱৰ্জনা ব্যৱস্থাপনা আৰু ব্যৱহৃত পানী ব্যৱস্থাপনাৰ কামকাজৰ স্থিতিৰ লগতে গুৱাহাটী পৌৰ নিগমৰ অধীনত ৰূপায়িত স্বচ্ছ ভাৰত মিছনৰ কামৰ স্থিতি সম্পৰ্কে বিশদভাৱে আলোচনা কৰা হয়। কামাখ্যাক প্লাষ্টিক মুক্ত অঞ্চল হিচাপে গঢ়ি তোলা সন্দৰ্ভতো আজিৰ এই বৈঠকত আলোকপাত কৰা হয়।

০০০০০

**সমাপ্ত**